# Workshop on NEP2020 in MDKG College on 6th June,2023


দেশ-জাতিৰ স্বাৰ্থত উৎসৰ্গিত

RNI No. : ASSASS/2007/22576
Postal Regn. No. G-1/RN/DR-458/2009-2011

# দৈনিক প্ৰতিক্ষণ

PRATIKSHAN pratikshannews@gmail.com DIBRUGARH

অসমৰ একমাত্ৰ সান্ধ্য বাতৰি ডিব্ৰুগড়, ষোড়শ বছৰ ◻ সংখ্যা ১৫৬ ◻ ৬ জুন, সোমবাৰ ◻ ২২ জেঠ, ১৯৪৪ শক, JUNE 6, 2022


সত্যেন্দৰ জৈনক ৯ জুনলৈকে সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ

## দিল্লীৰ স্বাস্থ্যমন্ত্ৰীৰ বাসগৃহত অভিযান

হাৱালা লেনদেন আৰু অবৈধ ধন সৰবৰাহৰ অভিযোগত গ্ৰেপ্তাৰ



নতুন দিল্লী ঃ কলকাতাস্থিত এটা কোম্পানীৰ সৈতে জড়িত হাৱালা লেনদেনৰ সন্দৰ্ভত সোমবাৰে বলবৎকাৰী সঞ্চালকালয়ৰ বিষয়াসকলে দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দৰ জৈনৰ বাসগৃহত তালাচী চলায়। ধন সৰবৰাহ প্ৰতিৰোধ আইনৰ বিধান অনুসৰি যোৱা ৩০ মে'ত গ্ৰেপ্তাৰ হৈছিল জৈনক। ৩১ মে'ত বিচাৰ আদালতে জৈনক ৯ জুনলৈকে ইডিৰ জিম্মালৈ প্ৰেৰণ কৰে। চলিত বৰ্ষৰ এপ্ৰিল মাহত (দুই পৃষ্ঠাত)

পানীত পৰি শিশু অংকুৰ দাসৰ কৰুণ মৃত্যু

## হিলৈধাৰীত মৰণফাণ্ডত পৰিণত মোদীৰ বাবে নিৰ্মিত হেলিপেড

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে নিৰ্মাণ কৰা অস্থায়ী হেলিপেডটোৱেই কাল হ'ল এটি শিশুৰ। ডিব্ৰুগড় চহৰৰ উপকণ্ঠ হিলৈধাৰীৰ পুখুৰীত গা ধুবলৈ যোৱা এটি শিশুৰে কৰুণ মৃত্যুক (দুই পৃষ্ঠাত)



## মুম্বাইত মহিলা সংগঠন গামখাৰুৰ উদ্যোগত গছপুলি ৰোপণ



ষ্টাফ ৰিপ'ৰ্টাৰ ঃ মুম্বাইৰ অসমীয়া মহিলা সংগঠন 'গামখাৰু'ৰ সৌজন্যত ৫ জুন বিশ্ব পৰিৱেশৰ দিনা অঙ্কেৰীৰ স্নেহাসদন বালিকা অনাথ আশ্ৰমৰ প্ৰাঙ্গনত দিনযোৰা (দুই পৃষ্ঠাত)

## আইকনিক সপ্তাহ পালন

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ ভাৰত চৰকাৰৰ বৃত্তিয় মন্ত্ৰালয়ৰ নিদেশত ৬ জুনৰ পৰা ১১ জুনলৈ সমগ্ৰ দেশৰ ভিন্ন প্ৰান্তত আইকনিক সপ্তাহ (দুই পৃষ্ঠাত)



## চাচাজী হাইস্কুলত কেৰিয়াৰ কৰ্মশালা



ষ্টাফ ৰিপ'ৰ্টাৰ ঃ লাহোৱালৰ বচাপথাৰ স্থিত চাচাজী উঃ মাঃ বিদ্যালয়ত এখনি কেৰিয়াৰ কৰ্মশালা অনুষ্ঠিত হয়। ডিব্ৰুগড় হনুমানবক্স কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ইনকুবেচন এণ্ড কেৰিয়াৰ গাইডেন্স চেলৰ সৌজন্যত আয়োজিত এই কৰ্মশালাত সমল ব্যক্তি হিচাপে (দুই পৃষ্ঠাত)

## ডিব্ৰুগড় বিশ্ববিঃত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ ৰাজ্যৰ অন্য প্ৰান্তৰৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়তো আজি বনাঢ্য কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি প্ৰায়োগিক ভূতত্ত্ব বিভাগে 'ৰংঘৰ' প্ৰেক্ষাগৃহত আয়োজন (দুই পৃষ্ঠাত)

## জুৰী বৰা বৰগোহাঞিৰ নতুন উপন্যাস 'চিঞৰ' উন্মোচন

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ উচ্চ শিক্ষা প্ৰতিষ্ঠানত যৌন-শোষণ ক্ৰমাৎ বাঢ়ি আহিছে। 'মি টু' আন্দোলনৰ প্ৰভাৱে বৰ্তমানেও না না গোপন কাহিনী আমাৰ সমুখত উন্মোচিত কৰি আছে। বাতৰি কাকত, নিউজ চেনেলত আজিকালি শৈক্ষিক প্ৰতিষ্ঠান কিছুমানৰ এনে ঘটনাবোৰ বেনাৰ হেডলাইন, ব্ৰেকিং নিউজ হৈ (দুই পৃষ্ঠাত)





## মনোহাৰী দেৱী মহাবিদ্যালয়ত নতুন শিক্ষা নীতি-২০২২ কৰ্মশালা



ষ্টাফ ৰিপ'ৰ্টাৰ ঃ অসম কলেজ শিক্ষক সন্থাৰ ডিব্ৰুগড় মণ্ডলৰ উদ্যোগত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সৌজন্যত নতুন শিক্ষানীতি ২০২০ৰ ৰূপায়ণ শীৰ্ষক এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰে। মণ্ডলৰ অধীনস্থ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গৱেষক, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত এই (দুই পৃষ্ঠাত)

